ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ
বুৰঞ্জী বিভাগৰ প্ৰথম ষাণ্মাসিকৰ অনুমোদিত
সন্মান (Major) পাঠ্যক্ৰমৰ অন্তৰ্গত 'Introduction to
History and its Sources' শীৰ্ষক পাঠ্যপুথিৰ আধাৰত

# ইতিহাসৰ পৰিচয় আৰু সমল



KP
KIRAN PRAKASHAN, DHEMAJI

গৌতম শৰ্মা

Scanned by CamScanner

যোৱা তথ্যসমূহৰ কথা উল্লেখ কৰা হৈছে।

### মেগাস্থিনিছ (Megasthenes) ঃ

মৌৰ্য যুগৰ প্ৰবল প্ৰতাপী ৰজা চন্দ্ৰগুপ্ত মৌৰ্য আৰু গ্ৰীক ক্ষত্ৰপ চেলিউকচৰ মাজত হোৱা চুক্তিৰ চিনস্বৰূপে চেলিউকচৰ দূত হিচাপে প্ৰখ্যাত গ্ৰীক পণ্ডিত মেগাস্থিনিছ ভাৰতলৈ আহিছিল। তেওঁ ভাৰতত থাকি চন্দ্ৰগুপ্ত মৌৰ্য অৰ্থাৎ মৌৰ্য শাসন ব্যৱস্থাৰ ওপৰত এক গুৰুত্বপূৰ্ণ টোকা প্ৰস্তুত কৰি উলিয়াইছিল। ভাৰতবৰ্ষৰ মৌৰ্য যুগৰ ইতিহাস ৰচনাৰ উৎকৃষ্ট সমল মেগাস্থিনিছৰ এই ভ্ৰমণ বৃত্তান্ত তেওঁৰ প্ৰখ্যাত গ্ৰন্থ 'ইণ্ডিকা'ত অন্তৰ্ভুক্ত কৰা হৈছে। আনুমানিক খৃষ্টপূৰ্ব ৩০২ ত তেওঁ চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভাত উপস্থিত হৈছিল। সমসাময়িক ভাৰতৰ শাসন ব্যৱস্থা, সমাজ ব্যৱস্থাৰ আদিৰ বিষয়ে বহু তথ্যৰে পৰিপূৰ্ণ ইণ্ডিকা গ্ৰন্থখন যে মেগাস্থিনিছেই লিখিছিল তাত আধুনিক পণ্ডিতসকলৰ দ্বীমত নাই। কিন্তু দুৰ্ভাগ্যবশতঃ মূল ইণ্ডিকা পুথিখন পোৱা নাযায়। বৰ্তমান যিখন ইণ্ডিকা পোৱা গৈছে সেইখন অন্যান্য গ্ৰীক লেখকসকল যেনে— ডায়'ডৰাছ, ষ্টেব', এৰিয়ান আৰু প্লিনীয়ে মূল ইণ্ডিকাখনৰ অৰ্থাৎ মেগাস্থিনিছৰ ভ্ৰমণ বৃত্তান্তৰ ওপৰত নিৰ্ভৰ কৰি লিখি উলিওৱা কিছুমান ৰচনাৰ সংমিশ্ৰিত ৰূপহে।

উল্লেখযোগ্য যে, বৰ্তমানৰ ইণ্ডিকাখন যিসকল পণ্ডিতৰ পৰা পোৱা গৈছে সেইসকলৰ ভিতৰত প্ৰথমজন গ্ৰীক পণ্ডিত আছিল ডায়'ডৰাছ। তেওঁ খৃষ্টপূৰ্ব ১ ম আৰু ২ য় শতিকাৰ মাজৰ ব্যক্তি আছিল। ডায়'ডৰাছ চিচিলিৰ এজন ঐতিহাসিক আছিল। চিচিলিৰ আগিৰীয়ামত জন্ম লাভ কৰা ডায়'ডৰাছৰ প্ৰধান সৃষ্টি আছিল বিব্লিয়'থেছা হিষ্ট' ৰিকা' (Historical Library), ডায়'ডৰাছে তেওঁৰ লিখনিত মেগাস্থিনিছৰ টোকাক সমল হিচাপে লৈ বীৰ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ কথা বৰ্ণনা কৰিছে। দ্বিতীয়তে, ষ্টেব' আছিল একেধাৰে ইতিহাসবিদ আৰু ভূগোলবিদ। পশ্চিম এছিয়াৰ আমছিয়াত খৃষ্টপূৰ্ব ৬৩ ত তেওঁৰ জন্ম হৈছিল।

Scanned by CamScanner

ষ্টেব'ৰে তেওঁৰ 'Geography' গ্ৰন্থত ভাৰতবৰ্ষ আৰু পাটীয়াৰ কথা উল্লেখ কৰিছে। তৃতীয়তে, এৰিয়ান (Flavius Arrianus) আছিল এজন ৰাষ্ট্ৰনেতা, সৈনিক, দাৰ্শনিক আৰু ইতিহাসবিদ। তেওঁ বিথিনিয়াৰ নিকথেদিয়াত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ বিখ্যাত ৰচনা হৈছে 'Anabasis'; য'ত আলেকজেণ্ডাৰৰ এছিয়া অভিযানৰ লগতে অন্যান্য দিশবোৰৰ কথা উল্লেখ কৰিছে। চতুৰ্থতে, প্লিনী আছিল ৰোমান পণ্ডিত, তেওঁৰ বিখ্যাত ৰচনা 'Naturnal History' ত ভূগোল, মনোবিজ্ঞান, জৈৱ বিজ্ঞান, নৃতত্ব বিজ্ঞান আদি বিষয়বোৰ সন্নিবিষ্ট কৰিছিল। ইয়াৰোপৰি, মেগাস্থিনিছৰ নিৰীক্ষণৰ ওপৰত ভিত্তি কৰি ৰোমানৰ অন্য এজন পণ্ডিত ক্লেঅ' দিয়াছ এলিয়ানাছে (২ য় আৰু ৩ য় শতিকাৰ) 'On the Peculiarities of Animals' শীৰ্ষক জৈৱ বিজ্ঞানৰ এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ লিখি উলিয়াইছিল। ওপৰত উল্লেখ কৰা গোটেইকেইজন ঐতিহাসিক তথা পণ্ডিতেই মেগাস্থিনিছৰ নিৰীক্ষণৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ বিখ্যাত সৃষ্টিবোৰ আগবঢ়াই নিছিল। যাৰ পৰিপ্ৰেক্ষিতত বহুত পিছত হ'লেও এইসকল লেখকৰ লিখনিৰ জৰিয়তে হেৰাই যোৱা মেগাস্থিনিছৰ 'ইণ্ডিকা' খন পুনৰ পোৱা গৈছিলে।

মেগাস্থিনিছৰ ইণ্ডিকাই প্ৰাচীন ভাৰতৰ বহুবোৰ তথ্যই আমাক দিছে। দেশখনৰ আকাৰ, আকৃতি, ইয়াৰ নদী, মাটি, জলবায়ু, গছ-গছনি, জীৱ-জন্তু, উৎপাদন ব্যৱস্থা, শাসন ব্যৱস্থা, সমাজ, আখ্যান, উপাখ্যান আদি বহু কথাই প্ৰকাশ কৰিছে। জীৱ-জন্তুবোৰক বনৰ পৰা কেনেকৈ ধৰা হৈছিল, কেনেদৰে সিহঁতক প্ৰশিক্ষণ দিয়া হৈছিল, হাতী কেনেকৈ চিকাৰ কৰা হৈছিল আদি কথাবোৰ মেগাস্থিনিছে লিখি গৈছিল। ভাৰতীয় ধৰ্মীয় বিশ্বাসৰ ওপৰত তেওঁ কৈছিল— হিন্দু সকলৰ মাজত বাসুদেৱ কৃষ্ণৰ উপাসনা কৰা হৈছিল। তেওঁ মতে কৃষকসকলে যুদ্ধলৈ যাব নালাগিছিল। দেশত কোনো দাস প্ৰথা নাছিল, চুৰ বৃত্তিৰ লোকো দুৰ্লভ আছিল। ভাৰতীয়সকলৰ কোনো ধণ দিয়া-লোৱাৰ ব্যৱস্থা নাছিল, আনকি মাটি দিয়াটো কোনো সুত লগোৱা নহৈছিল। ষ্টেব'ৰ ভাষাত ভাৰতীয়সকল লিখন কলাত (Art of Writing) অজ্ঞ আছিল, তেওঁলোকে সুৰাপান নকৰিছিল। মেগাস্থিনিছে তেওঁ ইণ্ডিকাত ভাৰতবৰ্ষক ইজিপ্ত আৰু ইউৰোপৰ সৈতে এক তুলনা দি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছিল। উদাহৰণস্বৰূপে

Scanned by CamScanner

গংগা আৰু সিন্ধু নদীক তেওঁ নীল আৰু দেনিয়ুবৰ সৈতে তুলনা কৰিছিল।

চন্দ্ৰগুপ্ত মৌৰ্যৰ ব্যক্তিগত জীৱন আৰু ৰাজসভা সম্পৰ্কে মেগাস্থিনিছে এক সুন্দৰ বিৱৰণ দিছে। তেওঁৰ মতে, ৰজাই এটি সুন্দৰ প্ৰাসাদত বাস কৰিছিল। ই আছিল সম্পূৰ্ণ নিৰাপত্তাৰে পূৰ্ণ আৰু ইয়াৰ শৈল্পিক কাৰুকাৰ্য আছিল অতি অপূৰ্ব। যিটো ৰাজপ্ৰাসাদ পৰস্যৰ ৰজা ৰাজপ্ৰাসাদতকৈ কোনো গুণেই তলৰ নাছিল। প্ৰাসাদৰ ভিতৰত আচবাববোৰ আছিল সোণ আৰু অন্যান্য মূল্যৱান মণি-মুকুতাৰে বনোৱা। ৰজা আছিল অতি আড়ম্বৰপ্ৰিয়, চিকাৰ আছিল তেওঁৰ প্ৰধান দুৰ্বলতা। প্ৰাসাদৰ বাগিছা নানা ফুলেৰে শোভাবৰ্দ্ধন কৰিছিল, লগতে বাগিছাবোৰত কেতবোৰ কৃত্ৰিম নিজৰা আছিল, যিবোৰে সৌন্দৰ্যবৰ্দ্ধন কৰিছিল। ইয়াত নানান চৰাই আৰু পশু ৰখোৱা হৈছিল। ৰজাই প্ৰায় সামৰিক অভিযান, ধৰ্মীয় প্ৰয়োজন, আবেদন-নিবেদনবোৰক প্ৰজাৰ পৰা গ্ৰহণ কৰাৰ বাবে প্ৰজাক দৰ্শন দিছিল। ৰজা ন্যায় বিচাৰক তথা প্ৰজাৰঞ্জক আছিল। মেগাস্থিনিছৰ মতে ৰাজধানী পাতলিপুত্ৰ আছিল ভাৰতৰ সেই সময়ৰ এখন বৃহৎ নগৰী। নগৰখন আছিল ব্যৱসায়-বাণিজ্য, শিক্ষা, শিল্পকলাৰ প্ৰধান প্ৰাণকেন্দ্ৰ। নগৰখন দীঘলে ৯ মাইল আৰু বহলে ২ মাইল আছিল। ৰাজধানী খনৰ সুৰক্ষাৰ বাবে প্ৰাচীৰ আৰু গঁড় খাৰৈয়ে আৱৰি ৰখোৱা হৈছিল। ৩০ জন সদস্যই গঠিত এখন পৌৰসভাক এই নগৰখন চোৱা-চিতাৰ বাবে নিয়োগ কৰা হৈছিল। এই সভাখনক ৬ খন উপসভাত বিভক্ত কৰা হৈছিল, প্ৰতিখন উপসভাতে ৫ জনকৈ সদস্য আছিল। নগৰৰ শিল্প-বাণিজ্য, বিদেশী লোকসকলৰ ৰক্ষণা-বেক্ষণ, জন্ম-মৃত্যুৰ হাৰ সংৰক্ষণ, ক্ৰয়-বিক্ৰয়, উৎপাদন ব্যৱস্থা আদিৰ বিষয়ে তেওঁ উল্লেখ কৰি গৈছে। মেগাস্থিনিছৰ মতে পৌৰ প্ৰশাসনৰ দৰে সামৰিক বিভাগৰ সুপৰিচালনাৰ বাবেও আন এখন ৩০ জনীয়া এখন সভা আছিল, ৫ জনকৈ সদস্যৰে এই সভাখনো ৬ খন উপসভাত বিভক্ত কৰা হৈছিল, আৰু প্ৰতিটো বিভাগকে সামৰিক বিভাগৰ বিভিন্ন বিভাগ যেনে— পদাতিক, আশ্বাৰোহী, ৰথ, হস্তী, নৌবাহিনী, যোগাযোগ আদিবোৰ চোৱা-চিতাৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছিল। ভাৰতীয় সমাজ ব্যৱস্থাৰ ওপৰতো মেগাস্থিনিছে এক বিৱৰণ দিছে। তেওঁ উল্লেখ কৰা মতে সমসাময়িক ভাৰতৰ লোকসকলক ৭ টা প্ৰধান ভাগত ভাগ কৰা হৈছিল। সেই কেইটা হ'ল— (১) দাৰ্শনিক, (২) কৃষক, (৩) চিকাৰী আৰু পশুপালক, (৪) কাৰুশিল্পী, (৫) সৈনিক, (৬) পৰিদৰ্শক আৰু (৭) অমাত্য আদি।

Scanned by CamScanner

ভাৰতৰ সমাজ ব্যৱস্থাৰ ওপৰত মেগাস্থিনিছে উল্লেখ কৰা সকলো তথ্য যে নিৰ্ভুল আছিল সেয়া সত্য নহয়। কিয়নো, কৌটিল্যকে আদি কৰি সেই সময়ৰ অন্যান্য বহু সাহিত্যই মেগাস্থিনিছৰ বহু ব্যাখ্যাকে উল্লেখ কৰা নাছিল। সেয়েহে তেওঁ উল্লেখ কৰা তথ্যবোৰ আধুনিক বহু ঐতিহাসিকেই ভ্ৰান্ত বুলি ক'ব খোজে। এই ক্ষেত্ৰত তেওঁৰ সমৰ্থনত আমি ক'ব পাৰোঁ যে— ভাৰতীয় ভাষা নজনা আৰু সমগ্ৰ ভাৰতক নেদেখা বিদেশী এজন লোকে ভাৰত সম্পৰ্কে দুই এটা ভুল তথ্য দিয়াটো কোনো আচৰিত কথা নহয়। কিয়নো তেওঁৰ ভুলবোৰ ইচ্ছাকৃত ভাবেই নিজে কৰা নাছিল হয়তো দ্বিতীয় কেতবোৰ সমলৰ ওপৰত নিৰ্ভৰ কৰা বাবে এইবোৰ ভুল থাকি গৈছিল। কিন্তু তেওঁ যিবোৰ তথ্য নিজে দেখি-শুনি, নিজৰ বিবেচনাৰে পৰিবেশন কৰিছিল সেইবোৰ তথ্য অৰ্থশাস্ত্ৰ আৰু অশোকৰ শিলালিপিবোৰেও স্বীকাৰ কৰিছে। এতেকে সদৌশেষত আমি ক'ব পাৰোঁ যে যদিও মেগাস্থিনিছৰ সৃষ্টিত কেতবোৰ সীমাবদ্ধতা আছিল তৎসত্বেও ভাৰতীয় ইতিহাস উদ্ধাৰ কৰাত তেওঁ ইণ্ডিকাই চিৰদিন চিৰকাল এক উচ্চ স্থান অধিকাৰ কৰি থাকিব।

Scanned by CamScanner